# অসম আদিত্য

■ ২১ আহিন, ১৯৪৬ শক ■ মঙলবাৰ, ৮ অক্টোবৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, October 8, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## সাধাৰণ সম্পাদক চিন্ময় কলিতা, সভাপতিৰ পদত প্ৰাঞ্জল তাঁতী নিৰ্বাচিত

# কানৈ কলেজত অনলাইন মাধ্যমত শান্তিপূৰ্ণ নিৰ্বাচন

**ষ্টাফ ৰিপৰ্টাৰ, ৭ অক্টোবৰ ঃ** ব্যতিক্ৰমী ৰূপত, এক শান্তিপূৰ্ণপৰিৱেশত আজি অসমৰ ডিব্ৰুগড়স্থিত আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। চতুৰ্থবাৰৰ বাবে সম্পূৰ্ণ অনলাইন পদ্ধতিৰে অনুষ্ঠিতনিৰ্বাচনত পৰাজিতপ্ৰাৰ্থীসকলে বিজয়ীসকলক হাতে হাত মিলাই বিজয়ৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰি এক আদৰ্শৰ বাট দেখুৱায়। মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাকক্ষত নিৰ্বাচনৰ গণনা শেষ হোৱাৰ পিছতে বিজয়ীসকলে অধ্যক্ষকে ধৰি অন্যান্য শিক্ষাগুৰুৰ চৰণ চুই সেৱা কৰাৰ দৃশ্যই এক আবেগিক পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে যিটো সময়ত ৰাজ্যৰ অধিকাংশ বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনকেন্দ্ৰিক বিভিন্ন অনাহূত পৰিস্থিতিৰ সৃষ্টি হৈছে, নিৰ্বাচনী প্ৰচাৰৰ নামত ছাত্ৰ-ছাত্ৰীয়ে লাখ লাখ টকা খৰচ কৰা, বেনাৰ-পোষ্টাৰে ভৰি পৰা এক কোলাহলপূৰ্ণ পৰিৱেশৰ সৃষ্টি হোৱাৰ বিপৰীতে এক শান্তিপূৰ্ণ পৰিৱেশত কানৈ মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিছে। প্ৰচাৰৰ নামত কোনোধৰণৰ বেনাৰ-পোষ্টাৰৰ সলনি ডিজিটেল পদ্ধতিৰে প্ৰাৰ্থীসকলক প্ৰচাৰৰ ব্যৱস্থা কৰি এক সুস্থ পৰিৱেশ গঢ়াতো প্ৰেৰণা যোগাইছে। বিগত ২০১৮ চনত মহাবিদ্যালয়খননে ডিজিটেল পদ্ধতিত ২০ টা কম্পিউটাৰ ব্যৱহাৰ কৰি নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২০২১-২০২২ বৰ্ষৰ পৰা ম'বাইলত এলএমএছ ছ'ফটৱেৰৰ অধীনত ৱে'ব বেছড় এপ্লিকেশ্যনৰ মাধ্যমত সম্পূৰ্ণ



অনলাইন পদ্ধতিত ভোটদান ব্যৱস্থা সংযোজন হয়। এইবাৰো সেই পদ্ধতিৰে নিৰ্বাচন অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কোনোধৰণৰ সংঘাতৰ সুৰুঙা ৰৈ যোৱা নাই। ২০২৪-২০২৫ বৰ্ষৰ এইবাৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মুঠ ১০ টা পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত ২২গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। এই ১০ টা পদৰ বাবে মহাবিদ্যালয়খনৰ মুঠ ৩,৪০৬ জন ভোটাৰে অংশ গ্ৰহণ কৰা এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় ২২ জন প্ৰাৰ্থীয়ে। দিনৰ ১০ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ মুঠ ৩,৪০৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ২,৭৭৭ গৰাকীয়ে ভোটদান কৰে আৰু ভোটদানৰ হাৰ আছিল ৮১.৫৩ শতাংশ। নিৰ্বাচনত প্ৰাঞ্জল তাঁতী সভাপতি (১,৪৫৪), স্বপ্নীল নাথ উপ-সভাপতি (১৭৫০), চিন্ময় কলিতা সাধাৰণ সম্পাদক (১৫৮২), চন্দন দত্ত সহকাৰী সাধাৰণ সম্পাদক (১২৭৬), গৌৰৱ চুতীয়া আলোচনী আৰু সাহিত্য সম্পাদক (১৩৮২), অনন্যা দাস সমাজ সেৱা সম্পাদক (৯৩৩), অনুৰাগ সোনোৱাল লঘু ক্ৰীড়া সম্পাদক (১৭৯৮), ভুবন পেগু সংগীত সম্পাদক (১৪৫৪), ক্ৰমণিকা গগৈ সাংস্কৃতিক সম্পাদক (১৫০২) আৰু মনোৰঞ্জন গগৈ শৰীৰ চৰ্চা সম্পাদক (১৩৭২) হিচাপে জয়লাভ কৰে। মন কৰিবলগীয়া যে এইবাৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ৩ টা বিভাগত তিনিগৰাকী প্ৰৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। তেওঁলোক হৈছে হোমেন বৰা গুৰু ক্ৰীড়া সম্পাদক, মামণি গগৈ তৰ্ক বিভাগৰ সম্পাদক আৰু অৰ্পিত শিৱকতি শৰ্মা ছাত্ৰ জিৰণি কোঠা সম্পাদক। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰযুক্তিৰ ব্যৱহাৰেৰে এনে সফলতা অৰ্জন কৰা বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জড়িত হৈ সহায়-সহযোগিতা আগবঢ়োৱা সকলো অধ্যাপক-অধ্যাপিকাক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ লগতে শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন কৰা বাবে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনায়। তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি এক ব্যতিক্ৰম ৰূপত অনলাইন মাধ্যমত ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অধ্যক্ষগৰাকীকো পৰিচালনা সমিতিৰ সভাপতিয়ে এখন প্ৰমাণ-পত্ৰ প্ৰদান কৰে। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰিজাইডিং অফিচাৰৰূপে কৰ্তব্য পালন কৰা ড° মৃদুল শৰ্মাকে ধৰি সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক অধ্যক্ষই ধন্যবাদ জনায়।